# স্থাননামতত্ত্ব আৰু পৰিৱেশ ভাষা বিজ্ঞানৰ আলোকত নলবাৰী জিলাৰ স্থাননামৰ প্ৰাকৃতিক উপাদান : এটি অধ্যয়ন

**ড° প্ৰণীতা দেৱী[১], ভাস্কৰজ্যোতি ডেকা[২]**
[১]অধ্যাপিকা, [২]গৱেষক ছাত্ৰ, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

**সংক্ষিপ্তসাৰ :**

*পৃথিৱীৰ উপৰিভাগৰ ঠাইৰ নামৰ প্ৰণালীবদ্ধভাৱে অধ্যয়নৰ কৰা বিভাগটোৱেই হৈছে নামতত্ত্ব । নামতত্ত্বৰ লগত সম্পৰ্কিত বিষয়বোৰৰ ভিতৰত প্ৰাকৃতিক পৰিৱেশ আৰু ভাষাৰ সম্পৰ্কক অধ্যয়নৰ বিষয় হিচাপে লোৱা ভাষাবিজ্ঞানৰ শাখা প্ৰাকৃতিক ভাষাবিজ্ঞান অন্যতম । স্থাননামৰ লগত জড়িত প্ৰাকৃতিক উপাদানক এই দুয়োটা বিভাগৰ সমন্বয়ত বিশ্লেষণ কৰি দেখুৱাব পাৰি ।*

*বিভিন্ন ভাষা আৰু সংস্কৃতিৰ দ্বাৰা পৰিবেষ্টিত ৰাজ্য অসমৰ ৰহণীয়া প্ৰাকৃতিক পৰিৱেশে স্থাননাম সৃষ্টিত প্ৰধান ভূমিকা পালন কৰিছে । অসম ৰাজ্যৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা নলবাৰী অতীজৰে পৰা প্ৰাকৃতিক পৰিৱেশৰ ৰম্যভূমি হিচাপে পৰিগণিত হৈছে । নলবাৰী জিলাৰ স্থাননাম সৃষ্টিতো জিলাখনৰ বিভিন্ন উপাদানে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয় । এনে স্থাননামসমূহে মানুহ আৰু প্ৰকৃতিৰ লগত গঢ়ি উঠা সাতামপুৰুষীয়া সৌহাদ্যক পোহৰলৈ আনে। ইয়াৰ লগতে, জিলাখনৰ পুৰণিকালৰ নিৰক্ষৰ, চহালোকসকলৰ প্ৰকৃতি সচেতনতাকো মূৰ্ত কৰি তুলিছে । বিভিন্ন ঠাইৰ ভূ-প্ৰাকৃতিক অৱস্থান, ভূ-অবয়ৱ আদিৰ জৰিয়তে কিছুমান ঠাইৰ নাম আহৰণ কৰা হৈছে। তদুপৰি জিলাখনৰ স্থাননাম সৃষ্টিত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলোৱা প্ৰাকৃতিক কাৰকবোৰৰ ভিতৰত গছ-গছনিবাচক শব্দ, জীৱ-জন্তুবাচক শব্দ, পক্ষীবিষয়ক শব্দ, তৃণবাচক শব্দ, ফলবাচক শব্দ, শস্যবাচক শব্দ, মৎস্যবাচক শব্দ, জলাশয়ৰ নাম আদি প্ৰধানভাৱে উল্লেখযোগ্য । জিলাখনৰ স্থাননাম সাধন প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে প্ৰাকৃতিক পৰিৱেশৰ লগত জড়িত শব্দৰ নাম আহৰণ কৰাতকৈ সাধিত শব্দৰ সহায়ত সৃষ্টি হোৱা স্থাননামৰ সংখ্যা অধিক ।*

**বীজ শব্দঃ**
*নামতত্ত্ব, পৰিৱেশ ভাষাবিজ্ঞান, নলবাৰী জিলা, প্ৰাকৃতিক কাৰক, জৈৱ-বৈচিত্ৰ্য ।*

**Article History:**
**Received** on 12 June, 2025
**Accepted** on 21 August, 2025

**বিষয়ৰ পৰিচয়**

ভাষা এটাৰ মূল উপাদান হিচাপে শব্দৰ গুৰুত্ব অপৰিসীম । এটা ভাষাৰ চহকী শব্দসম্ভাৰে ভাষাটোৰ প্ৰকাশিকা শক্তি বঢ়াই ভাষাটোক সমৃদ্ধ কৰি তোলে। ইয়াৰ ভিতৰত নামবাচক শব্দই বিশেষ স্থান দখল কৰে। এটা নামবাচক শব্দই কোনো ব্যক্তি বা কোনো বস্তুক নিৰ্দিষ্টকৈ বুজাবৰ বাবে এটা বিশেষ ধাৰণা প্ৰদান কৰে । বিশ্বৰ সকলো বস্তুৰে একো একোটা সুকীয়া পৰিচয়ৰ আৱশ্যক । এনে প্ৰয়োজন পূৰাবৰ বাবে সংহতভাবে কোনো বস্তুক এটা নামবাচক শব্দৰ সহায়ত সূচোৱা হয়। নামবাচক শব্দবিলাকৰ ভিতৰত স্থাননামবাচক শব্দসম্ভাৰে কোনো এখন ঠাইৰ এটা নিৰ্দিষ্ট পৰিচয় প্ৰদান কৰি মানুহৰ আগত নিজৰ চিনাকি দাঙি ধৰে। ভাষা এটাৰ নিজস্ব আৰু বৈচিত্ৰ্যপূৰ্ণ স্থাননামবাচক শব্দই ভাষাটোৰ শব্দসম্ভাৰ চহকী কৰি তোলা দেখিবলৈ পোৱা যায় । কোনো এক ভৌগোলিক স্থানক প্ৰদান কৰা পৰিচয়মূলক ভাষিক সাংকেতিক শব্দ বা শব্দগুচ্ছই হৈছে স্থাননাম । কোনো এটা স্থাননাম উৎপত্তি প্ৰক্ৰিয়াত সেই স্থানত প্ৰচলিত ভাষাই অধিক গুৰুত্ব লাভ কৰা পৰিলক্ষিত হয় । স্থাননাম সাধন প্ৰক্ৰিয়াৰ অন্যান্য উপাদানৰ দৰে প্ৰাকৃতিক পৰিৱেশেও বিস্তৰ প্ৰভাৱ পেলায় ।

প্ৰকৃতিৰ বুকুৰ বিভিন্ন উৎসৰ পৰা বিভিন্ন ধৰণে আহৰিত স্থাননামে অসমীয়া স্থাননামক সমৃদ্ধ কৰিছে । অসম ৰাজ্যৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ২৬০ উত্তৰ - চ্ছ.৫২০ উত্তৰ অক্ষাংশ আৰু ৯০.১৫০ পূব ৯১.৩৮০ পূব দ্ৰাঘিমাংশৰ মাজৰ যাতায়ত যোগাযোগৰ সুচল জিলা নলবাৰীৰো বিভিন্ন প্ৰান্তৰ স্থাননাম আহৰণ প্ৰক্ৰিয়াত জিলাখনৰ প্ৰাকৃতিক পৰিবেশে যথেষ্ট প্ৰভাৱ পেলাইছে । বিস্তীৰ্ণ সুগঠিত সমভূমি, ব্ৰহ্মপুত্ৰৰ বুকুৰ চৰ-চাপৰি আৰু সঘন জল প্লাৱিত নিম্নভূমি অঞ্চলেৰে গঠিত এই জিলাখনত দেখিবলৈ পোৱা বিভিন্ন চৰাই-চিৰিকটি, মাছ-কাছ, বিভিন্ন ধৰণৰ জীৱ-জন্তু, গছ-গছনি, তৃণ-শস্য আদি স্থাননামৰ লগত সংপৃক্ত হৈ থকা পৰিলক্ষিত হয় । আমাৰ এই প্ৰবন্ধটিত নলবাৰী জিলাৰ প্ৰকৃতিৰ লগত জড়িত স্থাননাম আহৰণৰ প্ৰক্ৰিয়াক প্ৰকৃতি ভাষাবিজ্ঞান আৰু নামতত্ত্বৰ আধাৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ'ল ।

**অধ্যয়নৰ উদ্দেশ্য**

ভাষাবিজ্ঞানৰ দুই শাখা নামতত্ত্ব আৰু প্ৰকৃতি ভাষাবিজ্ঞানৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক পৰিলক্ষিত হয় । এই বিষয় দুটাৰ আলোকত নলবাৰী জিলাৰ স্থাননাম সৃষ্টিত প্ৰাকৃতিক উপাদানৰ ভূমিকা সম্পৰ্কে বিচাৰ-বিশ্লেষণ আগবঢ়োৱাই হৈছে সাম্প্ৰতিক গৱেষণাৰ উদ্দেশ্য ।

**অধ্যয়নৰ গুৰুত্ব**

স্থাননামতত্ত্ব হৈছে পৃথিৱীৰ উপৰিভাগৰ বিভিন্ন ভৌগোলিক নামৰ বিজ্ঞানসন্মত অধ্যয়ন । আকৌ, প্ৰকৃতি ভাষাবিজ্ঞানে ভাষাৰ ওপৰত পৰিৱেশৰ প্ৰভাৱক অধ্যয়নৰ বিষয় হিচাপে সামৰি লয় । এই দুয়োটা বিষয়, ভাষা আৰু প্ৰাকৃতিক পৰিবেশৰ লগত ঘনিষ্ঠভাৱে জড়িত বিষয় হিচাপে দুয়োটা বিষয়ৰ মাজত এটি আন্তঃ সম্বন্ধ গঢ়ি উঠা পৰিলক্ষিত হয় । এই সম্বন্ধৰ আধাৰত নলবাৰী জিলাৰ স্থাননামসমূহৰ উৎপত্তিত প্ৰাকৃতিক উপাদানৰ ভূমিকাক বিশ্লেষণ কৰি অন্তৰ্নিহিত তাৰ লগত জড়িত কাৰকবোৰ উন্মোচন কৰা অতি প্ৰয়োজন। ইয়াৰ জৰিয়তে ভাষাৰ শব্দ সম্ভাৰ চহকী কৰা প্ৰাকৃতিক শব্দাৱলী শ্ৰেণীভুক্ত কৰি সংৰক্ষণ কৰা সম্ভৱ হৈ পৰিব। এয়াই হৈছে সাম্প্ৰতিক অধ্যয়নৰ মুখ্য গুৰুত্ব ।

**অধ্যয়নৰ পৰিসৰ**

প্ৰস্তাৱিত বিষয়টো অধ্যয়ন কৰাৰ বাবে অসম প্ৰদেশৰ নলবাৰী জিলাৰ অন্তৰ্গত বিভিন্ন স্থাননামসমূহৰ নামতাত্ত্বিক আৰু পৰিৱেশ ভাষাবৈজ্ঞানিক বিশ্লেষণ সামৰি লোৱা হৈছে ।

**গৱেষণা পদ্ধতি**

সাম্প্ৰতিক গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোতে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিক মুখ্য পদ্ধতি হিচাপে গ্ৰহণ কৰা হৈছে ।

**তথ্যৰ উৎস**

গৱেষণা পত্ৰখনি যুগুতাই উলিয়াওতে স্থাননামতত্ত্ব আৰু প্ৰকৃতি ভাষাবিজ্ঞানৰ তাত্ত্বিক কথা আলোচনা কৰাৰ বাবে বিভিন্ন গ্ৰন্থ আৰু গৱেষণা পত্ৰিকা, ইণ্টাৰনেটৰ পৰা প্ৰাপ্ত বিভিন্ন তথ্যক মুখ্য সমল হিচাপে গ্ৰহণ কৰা হৈছে । আকৌ, নলবাৰী জিলাৰ স্থাননাম আহৰণত প্ৰাকৃতিক উপাদানৰ ভূমিকাৰ বিষয়ে অধ্যয়নৰ বেলিকা জিলাখনৰ বিভিন্ন প্ৰান্তত চলোৱা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা প্ৰাপ্ত প্ৰাথমিক তথ্যক মুখ্য সমল হিচাপে লোৱা হৈছে । এনে ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাই নিওঁতে অৱলম্বিত আঁহিলাটো হ'ল -সাক্ষাৎকাৰ । আকৌ, তথ্য আহৰণৰ বাবে সহায় লোৱা গ্ৰন্থ, স্মৰিণকা আদিক গৌণ সমলৰ শাৰীত ৰাখিব পাৰি ।

**অধ্যয়নৰ সীমাবদ্ধতা**

আমাৰ বৰ্তমানৰ অধ্যয়ন নলবাৰী জিলাৰ প্ৰকৃতিৰ পৰা আহৰিত স্থাননামৰ ভাষিক বিচাৰ-বিশ্লেষণতেই সীমাৱদ্ধ ৰখা হৈছে ।

**স্থাননামতত্ত্ব**

স্থাননামতত্ত্ব [Toponymy] হৈছে নামতত্ত্ব [Onomastics] ৰ এটি বহুলভাৱে চৰ্চিত শাখা । এই দুয়োটা ইংৰাজী শব্দই গ্ৰীক মূলীয় শব্দ । নামতত্ত্বই কোনো এটা নামৰ উৎপত্তি, বুৰঞ্জী, ভাষাবৈজ্ঞানিক বিশ্লেষণ আৰু ব্যৱহাৰৰ বিভিন্ন দিশ সামৰি লয় । আকৌ, Toponymy শব্দটোৰ Topos আৰু nymy শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। "ট'পোছ শব্দৰ অৰ্থ হৈছে - পৃথিৱীৰ উপৰিভাগ আৰু নিমি শব্দৰ অৰ্থ হৈছে নাম" (ফুকন, ১৪৫) । অৰ্থাৎ ট'পোনিমি শব্দই পৃথিৱীৰ উপৰিভাগৰ নামৰ লগত জড়িত অধ্যয়নক সূচিত কৰে ।

Britanica ত স্থাননামতত্ত্বৰ সংজ্ঞা দি এইদৰে লিখিছে - "Toponymy is taxonomical study of place names, based on etymological, historical and geographic information." (https:://www.britannica.com/science/toponymy) ।

শৰৎ কুমাৰ ফুকনে 'স্থাননামতত্ত্বৰ সংজ্ঞা আগবঢ়াই এইদৰে লিখিছে - "ট'পোনিমি বুলিলে স্থাননামৰ অৰ্থ, অৱস্থিতি, ব্যাকৰণ, ভাষাতত্ত্ব, ইতিহাস, পুৰাতত্ত্ব, ভাস্কৰ্য আৰু স্থপতিবিদ্যা, ভূগোল, নৃতত্ত্ব, সমাজবিজ্ঞান আৰn জীৱবিজ্ঞান আদিৰ সমল আৰু সময় সাপেক্ষ উপাদান আন্তঃগাঁথনিৰ অধ্যয়নক বুজায়" (ফুকন, ১৪৫) ।

স্থাননামতত্ত্বই মূলতঃ স্থাননামৰ লগত সংগতি থকা কেইটামান মূল বিষয়ৰ ধাৰণাক সামৰি লোৱা পৰিলক্ষিত হয় । এনে বিষয়বোৰৰ জৰিয়তে স্থাননামৰ লগত জড়িত থকা ভাষাবৈজ্ঞানিক দিশ, ভৌগোলিক অৱস্থান, নৃতাত্ত্বিক আৰু গোষ্ঠীগত প্ৰভাৱ, সামাজিক তাৎপৰ্য, সাংস্কৃতিক সমল, ঐতিহাসিক আৰু পুৰাতাত্ত্বিক সমল আদি উন্মোচিত হয়। অৰ্থাৎ, স্থান নামৰ লগত জড়িত ভাষা এটাৰ বিভিন্ন ভাষা-বৈজ্ঞানিক দিশৰ বিশ্লেষণৰ জৰিয়তে ভাষাৰ ক্ৰমবিৱৰ্তনৰ ইতিহাস পোহৰলৈ আনিব পৰা যায়। আকৌ, স্থাননামৰ লগত জড়িত জাতি বা সাংস্কৃতিক গোষ্ঠীৰ সামাজিক, ঐতিহাসিক, ৰাজনৈতিক দিশৰ লগতে মনস্তাত্ত্বিক স্তৰৰ বিষয়ে এক সম্যক ধাৰণা পাব পাৰি। "তদুপৰি নামকৰণ হোৱা স্থাননামবোৰৰ গঠন প্ৰণালী, অৰ্থ আৰু ভাষাতাত্ত্বিক উপাদান আৰু অৱস্থান ঠাৱৰ কৰা যায়। ইয়াৰ লগে লগে ঠাইখনত বসবাস কৰা জনগাঁঠনি, জনগাঁথনিৰ বিৱৰ্তন আৰু ইতিহাসৰ আন-আন প্ৰাকৃতিক-

সাংস্কৃতিক সমলসমূহৰো সম্ভেদ পাব পাৰি" ( ফুকন, ১৪৬ )।

**পৰিৱেশ ভাষাবিজ্ঞান (Eco Linguistics)**

ভাষা, মানৱ সমাজ আৰু প্ৰাকৃতিক পৰিৱেশৰ মাজত এক নিকট সম্বন্ধ দেখিবলৈ পোৱা যায়। মানৱ সমাজৰ মাজতে ভাষাৰ উৎপত্তি হোৱাৰ দৰে, প্ৰসাৰ আৰু বিৱৰ্তনো মানৱ সমাজতে হোৱা পৰিলক্ষিত হয়। এতেকে, ভাষা হৈছে এটা সমাজ সাপেক্ষ প্ৰণালী। সামাজিক আচৰণৰূপে সৃষ্ট আৰু প্ৰতিষ্ঠিত ভাষাৰ সামাজিক দিশক কেতিয়াও উলাই কৰিব পৰা নাযায়। ঠিক তেনেদৰে, ভাষা এটাই তাৰ সমল পৰিবেশৰ পৰা আহৰণ কৰে। এটা ভাষাৰ শব্দসম্ভাৰৰ লগতে ভাষাৰ সুৰ লহৰো সেই স্থানৰ পৰিবেশে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিৰ্ধাৰণ কৰে। ভাষাৰ ওপৰত সমাজ আৰু পৰিৱেশৰ প্ৰভাৱ সম্পৰ্কে পৰিৱেশ ভাষাবিজ্ঞানে মুখ্যভাৱে আলোচনা কৰে।

পৰিৱেশ ভাষাবিজ্ঞানৰ ধাৰণাটো ১৯৯০ চনত মিছেইল হল্লিদেই 'New ways of meaning: the challenge to Applied Linguistics' শীৰ্ষক বক্তৃতাৰ জৰিয়তে সূত্ৰপাত ঘটায়। তেওঁ ভাষা অধ্যয়নৰ লগত জড়িত সমাজ ভাষাবিজ্ঞান বিষয়টোৰ পৰিসৰ বিস্তৃত কৰি তাত পৰিবেশ আৰু পৰিস্থিতিতন্ত্ৰৰ ধাৰণা সংযোগ কৰে। ইয়াৰ পাছৰে পৰা ভাষাৰ পৰিৱেশ, পৰিস্থিতিতন্ত্ৰৰ লগত জড়িত অধ্যয়নে এক বিশেষ মাত্ৰা প্ৰদান কৰা দেখিবলৈ পোৱা যায়। সাম্প্ৰতিক সময়ছোৱাত ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত পৰিৱেশ ভাষা বিজ্ঞানে এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ ভাষাবিজ্ঞান সংস্থা [International Ecolinguistics Association) - ই পৰিবেশ ভাষাবিজ্ঞানক এইদৰে সূচিত কৰে -

> Ecolinguistics explores the role of language in the life sustaining interaction of human, other species and the physical environment. The first aim is to develop linguistics theories which see humans not only as part of society, but also as a part of larger ecosystems that life depends on. The second aim is to show how linguistics can be used to adress key ecological issues, from climate change and biodiversity loss to environmental justice.

(https:://www.ecolinguistics-association.org)

পৰিৱেশ ভাষাবিজ্ঞানে ভাষাৰ লগতে মানুহ, অন্যান্য জীৱ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্কক মূল বিচাৰ্য বিষয় হিচাপে গ্ৰহণ কৰে। ইয়াৰ জৰিয়তে ভাষিক সূত্ৰ নিৰূপন কৰি সেই সূত্ৰৰ সহায়ত ভাষাক সামাজিক গণ্ডীৰ পৰা ঊৰ্ধ্বলৈ আনি বহল পৰিসৰৰ পৰিস্থিতি তন্ত্ৰৰ লগত ইয়াৰ সম্পৰ্ক স্থাপন কৰিব পাৰি। আকৌ, এই শাখাটোৱে ভাষাক এক মাধ্যম হিচাপে লৈ পৰিস্থিতি তন্ত্ৰৰ বিভিন্ন সমস্যা, যেনে - জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি, জলবায়ু পৰিবৰ্তনৰ সমস্যা আদিৰ সৈতে যুঁজ দিয়াৰ বাট মুকলি কৰে । ইয়াৰ জৰিয়তে প্ৰকৃতি আৰু পৰিস্থিতি-তন্ত্ৰৰ মাজত লালিত-পালিত হোৱা ভাষাত থকা বিভিন্ন উপাদানৰ সহায়ক প্ৰকৃতি আৰু পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্য ৰক্ষাৰ প্ৰয়াস কৰিব পাৰে । পৰম্পৰাগত জ্ঞানৰ সমলৰ দ্বাৰা সমৃদ্ধ ভাষা কেতিয়াবা পৰিবেশ সুৰক্ষাৰ হাতিয়াৰ হিচাপে অৱতীৰ্ণ হোৱাৰ দৃষ্টান্ত দেখিবলৈ পোৱা যায় । অৰ্থাৎ পৰিৱেশ ভাষাবিজ্ঞানে ভাষা আৰু পৰিস্থিতি-তন্ত্ৰৰ সম্বন্ধক ফঁহিয়াই আলোচনাৰ বিষয় হিচাপে গ্ৰহণ কৰে ।

**পৰিৱেশ ভাষাবিজ্ঞান আৰু স্থান নামতত্ত্বৰ সম্বন্ধ**

পৰিৱেশ ভাষাবিজ্ঞান আৰু স্থান-নামতত্ত্ব দুয়োটা ভাষা আৰু প্ৰাকৃতিক পৰিবেশ তন্ত্ৰৰ লগত জড়িত বিষয় হোৱা সূত্ৰে এই দুয়োটা বিষয়ৰ মাজত এক নিকট সম্পৰ্ক গঢ়ি উঠা দেখিবলৈ পোৱা যায় । এটা স্থাননামে নিৰ্দিষ্ট পৰিবেশত কিদৰে পৰিস্থিতি-তন্ত্ৰগত আৰু সাংস্কৃতিক উপাদানৰ আন্তঃ সম্পৰ্ক বৰ্তাই ৰাখি নামৰ স্বৰূপ উদ্‌ঘাটন কৰিব পাৰে। সেই বিষয়টোক পৰিৱেশ ভাষাবিজ্ঞানৰ আলম লৈ বিশ্লেষণ কৰি দেখুৱাব পাৰি । অন্য দৃষ্টিভংগীৰে বিচাৰ কৰিলে স্থাননামবোৰ হৈছে পৰিৱেশ ভাষাবিজ্ঞান অধ্যয়নৰ মুখ্য সমল। স্থাননামৰ জৰিয়তে মানৱৰ পৰিৱেশৰ লগত গঢ়ি উঠা আন্তৰিকতা আৰু পাৰস্পৰিক সম্পৰ্কক বিচাৰ্য বিষয় হিচাপে পৰিৱেশ ভাষাবিজ্ঞানে গ্ৰহণ কৰে ।

আকৌ, পৰিবেশ ভাষাবিজ্ঞানে স্থাননাম অধ্যয়নৰ পৰিকাঠাম এটিও তৈয়াৰ কৰা দেখিবলৈ পোৱা যায়। মানুহ আৰু প্ৰকৃতিৰ সম্বন্ধক মুখ্য অধ্যয়নৰ বিষয় হিচাপে গণ্য কৰা ভাষাবিজ্ঞানৰ এই শাখাটোৱে এই উপাদান দুটাৰ মাজৰ বুজা-বুজি আৰু পাৰস্পৰিক সম্বন্ধক পোহৰলৈ আনে । সমাজৰ ইতিহাস, বিশ্বাস আৰু মূল্যবোধৰ ভেটিত গঢ়ি উঠা সাংস্কৃতিক তাৎপৰ্যৰ বাহক হৈছে স্থাননামসমূহ । স্থাননামৰ লগত সংপৃক্ত হৈ থকা সাংস্কৃতিক তাৎপৰ্যক বিস্তৃতভাৱে পৰিবেশ ভাষাবিজ্ঞানে ফঁহিয়াই দেখুৱায়। আকৌ, স্থাননামবোৰত কোনো নিৰ্দিষ্ট অঞ্চলৰ পৰম্পৰাগত বিশ্বাস আৰু জীৱন পদ্ধতিৰ সমল নিহিত হৈ থাকে। স্থাননামৰ অধ্যয়নৰ জৰিয়তে বিলুপ্ত ভাষিক আৰু সাংস্কৃতিক ঐতিহ্যকো পুনৰ প্ৰতিষ্ঠা কৰাব পাৰি। আনহাতে, স্থাননামৰ মাজত নিহিত হৈ থকা ভাষিক আৰু সাস্কৃতিক বিচিত্ৰতা পৰিবেশ ভাষা বিজ্ঞানৰ দ্বাৰা উন্মোচন কৰিব পৰা যায় ।

এইদৰে, স্থাননামৰ লগত জড়িত বিভিন্ন ভৌগোলিক আৰু জৈৱিক পৰিবেশৰ উপাদানে পৰিস্থিতি তন্ত্ৰৰ প্ৰাকৃতিক গুৰুত্বৰ উপৰিও সামাজিক আৰু সাংস্কৃতিক তাৎপৰ্যকো পৰিৱেশ ভাষাবিজ্ঞানে সূচিত কৰে। ইয়াৰ জৰিয়তে বিলুপ্ত আৰু বিলুপ্তপ্ৰায় জৈৱ প্ৰজাতি, সংস্কতি আৰু ভাষা পুনৰুদ্ধাৰ কৰিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পাৰি ।

স্থাননামসমূহত পৰিস্থিতি তন্ত্ৰৰ বহুতো বিলুপ্ত আৰু বিলুপ্তপ্ৰায় জৈৱ উপাদান লুকাই থাকিব পাৰে। পৰিবেশ ভাষাবৈজ্ঞানিক আৰু স্থাননামতাত্ত্বিক অধ্যয়নৰ দ্বাৰা এনে বিপন্ন জৈৱ বৈচিত্ৰ্য পুনৰুদ্ধাৰ কৰিব পৰা যায় । শৰৎ কুমাৰ ফুকনে দৃষ্টান্ত সহকাৰে এই বিষয়টো 'নামতত্ত্ব' নামৰ গ্ৰন্থত উল্লেখ কৰিছে ।

স্থাননামসমূহৰ ইতিহাস আৰু ঐতিহ্য অধ্যয়নৰ যোগেদি প্ৰাচীন কালৰ জীৱবিজ্ঞানৰ ধাৰা আৰু পৰম্পৰা সমূহৰ বিষয়ে সবিশেষ জানিব পাৰি। তদুপৰি, পৰিৱেশ সম্বন্ধীয় বিপদমুখী উদ্ভিদ তথা প্ৰাণীৰ পুনৰ উদ্ধাৰৰ বাবে জীৱ-জন্তু আৰু বন-বিৰিখক লৈ হোৱা স্থাননামৰ সহায়ত সেই অঞ্চলত এইবোৰৰ ৰক্ষণাবেক্ষণৰ কথা ভাবিব পাৰি। উদাহৰণ স্বৰূপে শিঙিমাৰী-ৰৌমাৰী স্থাননাম সম্বলিত স্থানবিশেষ [যত শিঙি আৰু ৰৌমাছৰ অৱস্থিতিয়েই নোহোৱা হল, কেবল নামটোহে আছে] ত যথাক্ৰমে শিঙি আৰু ৰৌমাছৰ উৎপাদন থলীৰূপে পুনৰ প্ৰতিষ্ঠা কৰিব পাৰে (ফুকন, ১৮৭ ) ।

**নলবাৰী জিলাৰ স্থাননামত প্ৰাকৃতিক উপাদান**

নলবাৰী জিলাখন অসমৰ মুখ্য নদী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত এটি ভৌগোলিক অঞ্চল । সমগ্ৰ নলবাৰী জিলাখনেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ পলসুৱা মাটিৰে গঠিত । "ব্ৰহ্মপুত্ৰ নদীৰ সমগ্ৰ ২৮৮০ কিলোমিটাৰ গতিপথৰ ভিতৰত কামৰূপ জিলাৰ পাণ্ডু অঞ্চলটোৰ পৰাই গেদ আৰু আৱৰ্জনা অধিক জমা হ'বলৈ আৰম্ভ কৰে। অথাৰ্ৎ, উজনিৰ পৰা কঢ়িয়াই অনা গেদ-আৱৰ্জনাবোৰ এই অঞ্চলটোৰ পৰাই অৱক্ষেপন হ'বলৈ আৰম্ভ কৰে। ফলত এই অঞ্চলটোৰ ঠিক নামনিতেই থকা নলবাৰী অংশত কালাৰচৰ, ভাঙ্গোনমাৰী, কুৰিহামাৰী আদিৰ দৰে নদীচৰবোৰৰ সৃষ্টি হৈছে" (ভাগৱতী,১১) । সমভূমি অঞ্চলত অৱস্থিত জিলাখনৰ কোনো পাহাৰ-পৰ্বত দেখিবলৈ পোৱা নাযায় । জিলাখনৰ প্ৰধান উপ-নদী কেইখনমান হৈছে - পাগলদিয়া, পুঠিমাৰী, নোনা, বুঢ়াদিয়া, কানাইখুণ্ডা, মৰা-পাগলদিয়া, টিহু, চাউলখোৱা আদি । নলবাৰী জিলাৰ দক্ষিণ আৰু দক্ষিণ-পূৱ অঞ্চলটোত বিশেষকৈ বৰক্ষেত্ৰী আৰু বৰভাগ অঞ্চলটোৰ লগতে পশ্চিম নলবাৰী অঞ্চলতো বিল-জলাশয়ৰ সংখ্যা বেছি । উপ-ক্ৰান্তীয় বলয়ৰ এছিয়া মহাদেশীয় মৌচুমী জলবায়ুৰ অন্তৰ্গত জিলাখন গ্ৰীষ্মকালি গৰম, সেমেকা আৰু শীতকালত শীতল আৰু শুকান । এই অঞ্চলটোৰ উদ্ভিদবোৰ ক্ৰান্তীয় চিৰসেউজীয়া আৰু পৰ্ণপাতিক শ্ৰেণীৰ । জিলাখনত সংৰক্ষিত বনাঞ্চল নাই যদিও মানুহৰ আবাসভূমিৰ আশে-পাশে বিভিন্ন প্ৰজাতিৰ সৰু-ডাঙৰ গছ পোৱা লগতে শিয়াল, জহামাল, নেউল, হাপা, ৰামশিয়াল, বান্দৰ, কেৰ্কেটুৱা আদি বনৰীয়া জন্তুৰ লগতে জিলাখনৰ বিভিন্ন ধৰণৰ চৰাই-চিৰিকটিৰ উত্তম বাসস্থান হিচাপে পৰিগণিত হৈছে ।

এনে প্ৰাকৃতিক পৰিবেশৰ দ্বাৰা পৰিবেষ্টিত জিলাখনৰ স্থাননাম আহৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰাকৃতিক উপাদানে সততে ক্ৰিয়া কৰা দেখিবলৈ পোৱা যায় । স্থাননামৰ আহৰণ আৰু পৰিবৰ্দ্ধন হয় লোক-সমাজত। প্ৰকৃতি লোকসমাজৰ

প্ৰধান ক্ৰিয়াভূমি হোৱা হেতুকে প্ৰকৃতিৰ লগত লোকসমাজৰ এক নিবিড় সম্পৰ্ক বিৰাজমান । এনে সম্পৰ্কৰ আধাৰত স্থাননাম প্ৰদানৰ ক্ষেত্ৰতো লোকসমাজৰ চকু পোনতে প্ৰাকৃতিক পৰিবেশত নিবদ্ধ হয়। এইবাবে স্থাননাম সৃষ্টিত জিলাখনৰ প্ৰাকৃতিক পৰিবেশে এক বিশেষ ভূমিকা পালন কৰা পৰিলক্ষিত হয়। নলবাৰী জিলাৰ স্থাননাম উৎপত্তিৰ লগত জড়িত প্ৰাকৃতিক উপাদানসমূহ তলত শ্ৰেণীবিভাজন কৰি আলোচনা কৰা হ'ল ।

**ভূ-প্ৰাকৃতিক অৱস্থিতিৰ পৰা উৎপত্তি হোৱা স্থাননাম**

কোনো এখনৰ ঠাইৰ চৌপাশে থকা বিভিন্ন ভূ-প্ৰাকৃতিক অৱস্থানৰ জৰিয়তে স্থাননাম সৃষ্টি কৰা হয়। চৌদিশে থকা ভূমিখণ্ডৰ অৱস্থানৰ প্ৰতি মানুহ সৰ্বদা সচেতন । এইদৰে প্ৰভাৱিত হৈ কোনো ঠাইক নামকৰণ কৰা প্ৰবৃত্তি অতীজৰে পৰা চলি আহিছে । নলবাৰী জিলাত এই পদ্ধতিৰ দ্বাৰা আহৰিত কেইখনমান স্থাননামৰ লগত জড়িত নামতাত্ত্বিক বিশ্লেষণ তলৰ তালিকাৰ সহায়ত দাঙি ধৰা হল –

| **স্থাননাম** | **উন্নয়নখণ্ড** | **নামৰ বুৎপত্তি** | **নামৰ অৰ্থ** |
|---|---|---|---|
| মুকালমুৰা | বৰক্ষেত্ৰী | কা.মুকাল + মূৰীয়া>মূয়া >মুৰা | ব্ৰহ্মপুত্ৰ নৈৰ পাৰৰ মুকলিমূৰীয়া স্থান |
| বিলপাৰ | বৰিগোগ বনভাগ | বিল + পাৰ | বিলৰ পাৰত অৱস্থিত গাঁও |
| ঘগ্ৰাপাৰ | বৰিগোগ বনভাগ | ঘগ্ৰা + পাৰ | ঘগ্ৰা অৰ্থাৎ পথাৰৰ পানী বৈ অহা সৰু জানৰ পাৰত অৱস্থিত গাঁও |
| কুলবিল | পশ্চিম নলবাৰী | কুল + বিল | কূল (পাৰ) + বিল অৰ্থাৎ বিলৰ পাৰত পূৰ্বতে থকা গাঁও |
| দোসুঁতিমূৰ | বৰভাগ | দুই > দো + সুঁতি + মূৰ | দুটা সুঁতি লগ হোৱা ঠাইখিনিৰ নিকটৱৰ্তী স্থান |
| পিতনিপাৰা | পূৱ-নলবাৰী | পিতনি + পাৰ + - আ | পিতনিৰ পাৰত অৱস্থিত গাঁও |

**ভূ-অবয়ৱৰ পৰা উৎপত্তি হোৱা স্থাননাম নলবাৰী জিলাৰ বিভিন্ন স্থাননাম**

চৌপাশৰ ভূ-অবয়ৱৰ পৰা সাধন কৰা হৈছে । কৃষিজীৱী মানুহৰ মাটিৰ লগত নিবিড় সম্পৰ্ক বিদ্যমান । এই সম্পৰ্কৰ ভিত্তিতে পৃথিৱীৰ উপৰিভাগত গঠনে স্থাননাম সৃষ্টিত বিশেষ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। এনে কিছুমান স্থাননামৰ নামতাত্ত্বিক বিশ্লেষণ তালিকাৰ সহায়ত উপস্থাপন কৰা হ'ল-

| **স্থাননাম** | **উন্নয়নখণ্ড** | **নামৰ বুৎপত্তি** | **নামৰ অৰ্থ** |
|---|---|---|---|
| বৰি | পশ্চিম নলবাৰী | বৰি (একক নাম) | ওখ ঠাই |
| বালি | টিহু | বালি (একক নাম) | বালি মাটিৰ পৰিতপূৰ্ণ স্থান |
| বালা | বৰভাগ | ক. বালা (একক নাম) | কামৰূপী ভাষাৰ বালা নামটোৱে বালি মাটিৰে পৰিপূৰ্ণ ওখ ঠাই |
| বালাবৰি | টিহু | কা. বালা (বালি)+কা. বৰি | বালিৰে পৰিপূৰ্ণ ওখ ঠাই |
| ধূলাপাৰা | পশ্চিম নলবাৰী | কা. ধূলা [ধূলি] + পাৰা | ধূলিৰে পৰিপূৰ্ণ ঠাই |

| | | | |
|---|---|---|---|
| খখ্ৰিশাল | পশ্চিম নলবাৰী | কা. খখৰা + - ই + শাল | ওখোৰা-মোখোৰা ঠাইৰে পৰিপূৰ্ণ স্থান |
| বলিকৰিয়া | পূব-নলবাৰী | বালি + কৰিয়া | বালি আৰু কৰকৰীয়া মাটিৰে পূৰ্ণ স্থান |
| বৰবালা | বৰক্ষেত্ৰী | বৰ + বালা | বৰকৈ বালিৰে পৰিপূৰ্ণ স্থান |

**গছ-গছনিবাচক শব্দৰ দ্বাৰা সৃষ্ট স্থাননাম**

আদিম অৱস্থাৰ পৰা মানুহে গছ-গছনিৰ লগত এক এৰাব নোৱাৰা সম্পৰ্কৰে বান্ধ খাই আছে । গছ-গছনিয়ে মানুহ তথা প্ৰাণীকুললৈ আগবঢ়োৱা অৱদান মূল্যায়ণ কৰি অন্ত কৰিব নোৱাৰি । স্থাননাম সাধনৰ ক্ষেত্ৰতো গছ-গছনিয়ে প্ৰাধান্য পোৱা পৰিলক্ষিত হয় । কোনো এঠাইত কোনো প্ৰজাতিৰ গছৰ প্ৰাচুৰ্য নাইবা ঠাইখনিক নিৰ্দেশ কৰিব পৰা গছৰ নামেৰে নলবাৰী জিলাত বিভিন্ন স্থাননাম সাধিত হোৱা পৰিলক্ষিত হয় । উদাহৰণ স্বৰূপে –

| গছৰ নাম | গছৰ নামৰ পৰা আহৰিত স্থাননাম | স্থাননাম বুৎপত্তি |
|---|---|---|
| আম্ৰা (অমৰা) | আম্ৰাটাৰী | কা. আম্ৰা + টাৰী |
| আঁহত | আঁহতা | আঁহত + - আ |
| শিমলী (শিমলু) | শিমলীয়া | কা. শিমলী + - আ |
| কদম | কদমতল | কদম + তল |
| হিদল | হিদিলাটাৰী | হিদল > হিদিল + - আ + টাৰী |
| নাহৰ | নাহেৰবাৰী | নাহৰ > নাহেৰ + বাৰী |
| আম | ৰাজেহা আমৰতল | কা. ৰাজেহা, আম +- ৰ + তল |

**জীৱ জন্তুবাচক শব্দৰ পৰা সৃষ্ট স্থাননাম**

বিভিন্ন জীৱ জন্তুৰ নামৰ পৰা নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত স্থাননাম সাধিত হৈছে । কোনো এখন ঠাইত প্ৰচুৰ পৰিমাণে উপলব্ধ জীৱৰ জৰিয়তে কেতিয়াবা একোখন ঠাইৰ নাম সাধিত হোৱা পৰিলক্ষিত হয় । নলবাৰী জিলাৰ বৰালকুছি ( বৰকৈ বৰলে বাহ সজা স্থান ), পহুমাৰা ( বেছিকৈ পহু পোৱা ঠাই ), কটপুহা ( কেটেলা পহুৰ বসতি থকা স্থান ), গড়গড়ী ( গড় ওলোৱা ঠাই ) আদি স্থাননাম উল্লেখ কৰিব পাৰিব পাৰি । আকৌ, কেতিয়াবা পুৰণি সময়ত জীৱ-জন্তু চিকাৰৰ পৰা আহৰিত অভিজ্ঞতাৰ জৰিয়তেও কোনো এখন ঠাই জনাজাত হয় । ইয়াৰ উদাহৰণ হিচাপে, নলবাৰী জিলাৰ নলবাৰী জিলাৰ বৰাজোল, শিয়ালমাৰী, বাঘমাৰা, বৰামাৰা আদি স্থাননাম উল্লেখ কৰিব পাৰি ।

**ফলবাচক শব্দৰে গঠিত স্থাননাম**

নলবাৰী জিলাৰ গাওঁসমূহৰ বাৰীত অতীজৰে পৰা বিভিন্ন ফল-মূলৰ গছ পোৱা যায় । ফল-মূলৰ প্ৰাচুৰ্যৰ দ্বাৰাও কিছুমান স্থাননাম সাধিত হোৱা পদ্ধতি নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত দেখিবলৈ পোৱা গৈছে । বিভিন্ন ফলৰ পৰা উৎপত্তি হোৱা স্থাননাম তলত উল্লেখ কৰা হ'ল-

ফলবাচক শব্দ স্থাননাম

| | |
|---|---|
| কঁঠাল | কৈঠালকুছি |
| থেকেৰা টেঙা | থৈকাৰাকুছি |
| গুৱা [তামোল] | গুৱাকুছি |
| ভোমোৰা | ভয়ৰা |
| টেঙা | টেঙাবাৰী |
| বগৰী | বগুৰীহাটী |
| কদ্দৈৰ্ | কদ্দৈৰ্তোলা |
| জাম [জামু] | জামতোলা ইত্যাদি । |

**শস্যবাচক শব্দৰ পৰা সাধিত স্থাননাম**

নলবাৰী জিলাখন এখন কৃষি ক্ষেত্ৰত চহকী জিলা । জিলাখনৰ সৰহসংখ্যক লোকে কৃষিক প্ৰধান বৃত্তি হিচাপে গ্ৰহণ কৰি জীৱন নিৰ্বাহ কৰি আহিছে । জিলাখনত প্ৰধান শস্য ধানৰ উপৰিও আন আন শস্য কিছুমানৰ খেতিও অতীজৰে পৰা প্ৰচলিত । কোনো এখন ঠাইত প্ৰচুৰভাৱে উৎপাদিত বিভিন্ন শস্যৰ জৰিয়তে স্থাননাম সৃষ্টি কৰা হৈছে। এনে কেইখনমান স্থাননাম হ'ল - বৰধানতলী, কালাৰচৰ, সৰিয়হতলী, তিলানা, কালাৰদিয়া, মুগ্দি আদি ।

**তৃণবাচক উদ্ভিদৰ পৰা উৎপত্তি হোৱা স্থাননাম**

নলবাৰী জিলাৰ ওখ আৰু আদ্ৰৰ্ দুয়ো প্ৰকাৰৰ স্থানতে বিভিন্ন প্ৰজাতিৰ তৃণজাতীয় উদ্ভিদ পোৱা যায় । এই তৃণসমূহৰ প্ৰাচুৰ্যৰ ভিত্তিত নলবাৰী জিলাৰ বিভিন্ন অঞ্চলত আহৰণ কৰা স্থাননাম কেইখনমান হ'ল - ধুৰীপাৰা, বৰদল, কাঁহিকুছি, নলবাৰী, নলনা, নলিচা, বাঁহজানী ইত্যাদি ।

**জলাশয়বাচক শব্দৰ পৰা উৎপত্তি হোৱা স্থাননাম**

স্থাননামৰ লগত কেতিয়াবা নিকটৱৰ্ত[1] কোনো জলাশয়ৰ নাম সংযুক্ত হৈ থকা দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত জলাশয়বাচক স্থাননামৰ ঐতিহ্যগত দিশটোও বিচাৰ্য বিষয় হিচাপে পৰিগণিত হয় । জলাশয়ৰ নামৰ জৰিয়তে সৃষ্টি কৰা জিলাখনৰ উল্লেখযোগ্য স্থাননাম কিছুমান হ'ল- বৰপুখুৰীপাৰ, চেংনৈ, ননৈ, মৰনৈপাৰ, পুখুৰীপাৰ চুবুৰী, টিহু, ৰামপুৰ অজাগড়া ইত্যাদি ।

ননৈ, চেংনৈ আৰু টিহু নামৰ নদীৰ সদৃশ নাম হিচাপে সেই নৈৰ লগত সংপৃক্ত ঠাইকেইখনৰ নাম সাধন কৰা হৈছে । আনহাতে চান্দকুছি গাঁৱৰ আহোম ৰজাদিনীয়া বৰপুখুৰী আৰু ম'হমাৰা পুখুৰী নামৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক জলাশয় দুটাৰ ওচৰৰ ঠাইখিনি ক্ৰমে বৰপুখুৰীপাৰ আৰু ম'হমাৰা পুখুৰীপাৰ নামেৰে কালক্ৰম জনাজাত হয় । এই জলাশয়সমূহে জনজীৱনত পেলোৱা প্ৰভাৱৰ ভিত্তিতেই এনে স্থাননাম সাধিত হৈছে বুলি ভাবিব পৰা যায়। আকৌ

বৰিগোগ- বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত অজাগড়া নামৰ বিলখনিৰ পাৰত বৰক্ষেত্ৰীৰ ৰামপুৰ অঞ্চলৰ পৰা প্ৰব্ৰজিত মানুহে বাস কৰিবলৈ লৈ পূৰ্বৰ স্থাননামৰ স্মৃতিক বিলখনৰ নামৰ সৈতে সংযুক্ত কৰি ৰামপুৰ অজাগড়া নামৰ সাধিত স্থাননাম আহৰণ কৰে । আকৌ, মৰনৈপাৰ নামটোৱে এই অঞ্চলৰ মাজেৰে প্ৰবাহিত মৰানৈ এখনৰ স্মৃতি ধৰি ৰাখিবলৈ সক্ষম হৈছে। অতীজত গাঁও এখনৰ পানী খোৱা পুখুৰীটোৰ বিশেষ সামাজিক মূল্য পৰিলক্ষিত হয় । এনে পুখুৰীৰ পাৰৰ চুবুৰীটোক পুখুৰীপাৰ চুবুৰী হিচাপে নামকৰণ কৰা হয় । এই ক্ষেত্ৰত জাহা গাঁৱৰ পুখুৰীপাৰ চুবুৰী আৰু তৰমাথা গাঁৱৰ পুখুৰীপাৰ চুবুৰীৰ কথা উল্লেখ কৰিব পাৰি ।

**মাছবাচক শব্দৰ পৰা সৃষ্টি হোৱা স্থাননাম**

নলবাৰী জিলাখনৰ প্ৰতিটো জলাশয় সুদূৰ অতীতৰ পৰা বৰ্তমান কাললৈকে মাছ-পুঠিৰে ঠাহ খাই আছে। মৎস্যচিকাৰক জিলাখনৰ বিভিন্ন শ্ৰেণীৰ মানুহে এক আনন্দদায়ক কাৰ্য হিচাপে গণ্য কৰি তেনে কাৰ্যত লিপ্ত হৈ আছিল । আকৌ পৰম্পৰাগতভাৱে মৎস্যচিকাৰক বৃত্তি হিচাপে গ্ৰহণ কৰি কেইটামান জাতিৰ মানুহে জীৱিকাও নিৰ্বাহ কৰি আহিছে । কোনো এখন ঠাইত প্ৰচুৰভাৱে লাভ কৰা মাছ আৰু সেই মাছৰ চিকাৰ কাৰ্যৰ জৰিয়তে বিভিন্ন স্থাননাম আহৰণ কৰা দেখিবলৈ পোৱা যায় । এনে কেইখনমান স্থাননাম হৈছে- গৰৈমাৰী, গৰৈমাৰা, শ'লমাৰা, চিতলমাৰী, কুৰিহামাৰী, ভাঙোনমাৰী, বনভাগ – শ'লমাৰী, ৰৌমাৰী ইত্যাদি । আকৌ, কিছুমান ঠাইৰ নাম কোনো এখন ঠাইত প্ৰাচুৰ্য থকা মাছৰ নামেৰে প্ৰত্যক্ষভাৱে সাধিত হয় । তেনে দুখন স্থাননাম হৈছে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত চান্দা আৰু লছিমা । চান্দা আৰু গোটা সজীয়া, দীঘল চানেকীয়া এবিধ মাছ লাচিমৰ প্ৰাচুৰ্যৰ বাবে স্থাননাম দুখন চান্দা আৰু লছিমা নামে জনাজাত হৈছে ।

**চৰাই-চিৰিকটিৰ নামেৰে গঠিত স্থাননাম**

জৈৱ বৈচিত্ৰ্যৰ এক চহকী স্থান নলবাৰী জিলাখনত প্ৰচুৰ পৰিমানে বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটি দেখিবলৈ পোৱা যায় । চৰাই-চিৰিকটিৰ লগত সংপৃক্ত বিভিন্ন অনুষংগৰ আলমত কেইবাখনো স্থাননামৰ উৎপত্তি হৈছে । তলত এনে স্থাননাম কেইখনমানৰ নামতাত্ত্বিক বিশ্লেষণ দাঙি ধৰা হ'ল –

| স্থাননাম | স্থাননাম আহৰণত জড়িত চৰাই | বুৎপত্তিগত অৰ্থ |
|---|---|---|
| ভেলামাৰী | ভেলাপক্ষী | ভেলা নামৰ পক্ষী চিকাৰৰ পৰা আহৰিত নাম |
| ভেলাখাইতী | ভেলাপক্ষী | ভেলাপক্ষী ধৰি খোৱাৰ ফলত আহৰিত নাম |
| কাউৰেহাগী | কাউৰী | কাউৰীয়ে প্ৰচুৰ বিষ্ঠা পৰিত্যাগ কৰা ঠাইৰ নাম |
| চৰেকুকা | কুকুহা চৰাই | প্ৰচুৰ পৰিমানে কুকুহা চৰাইৰ বাসস্থান থকা ঠাই |
| কাউৰে খাইতী | কাউৰী | কাউৰী পক্ষী ধৰি খোৱা ঠাই |
| হাঁহডলি | হাঁহ | সাধাৰণ ঘটনাৰ পৰা আহৰিত নাম, হাঁহ দলিয়াই দিয়াৰ ফলত উৎপত্তি হোৱা ঠাইৰ নাম |

এইদৰে প্ৰাকৃতিক উপাদানৰ দ্বাৰা আহৰিত বিভিন্ন স্থাননাম জিলাখনৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ আছে । এনে স্থাননাম সমূহৰ বিস্তৃত নামবৈজ্ঞানিক আৰু পৰিৱেশ ভাষা বৈজ্ঞানিক অধ্যয়নৰ জৰিয়তে এই শ্ৰেণীৰ বিভিন্ন স্থাননামৰ বিষয়ে আৰু গভীৰ জ্ঞান আহৰণ সম্ভৱপৰ হৈ উঠিব ।

**প্ৰাপ্ত ফলাফল**

আমাৰ বৰ্তমানৰ অধ্যয়নৰ পৰা আহৰণ কৰা ফলাফল হৈছে -

ক) নলবাৰী জিলাৰ স্থাননাম সৃষ্টিত প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱ লক্ষ্য কৰা যায় ।

খ) ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমিৰ মনোৰম প্ৰাকৃতিক পৰিৱেশত অৱস্থান কৰা নলবাৰী জিলাখনত ভূ-প্ৰাকৃতিক অৱস্থা, ভূ-অবয়ৱ, জলাশয়বাচক শব্দৰ লগতে বিভিন্ন উদ্ভিদগত আৰু প্ৰাণীগত উপাদানৰ জৰিয়তে আহৰণ কৰা অনুসৰি শ্ৰেণী বিভাজন কৰিব পৰা হৈছে ।

গ) নলবাৰী জিলাৰ স্থাননাম আহৰণ প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে প্ৰাকৃতিক উপাদানৰ নামেৰে কিছুসংখ্যক স্থাননাম সৃষ্টি হৈছে যদিও ইয়াৰ সংখ্যা তাকৰ। ইয়াৰ বিপৰীতে, এনে শব্দৰ পৰা সাধিত ৰূপৰ জৰিয়তে সৰহসংখ্যক স্থাননাম সৃষ্টি হোৱা পৰিলক্ষিত হয় ।

ঘ) স্থাননাম আহৰণ প্ৰক্ৰিয়াৰ লগত প্ৰাকৃতিক পৰিৱেশ আধিক্যৰ পিনে লক্ষ্য ৰাখি জিলাখনৰ অধিবাসী সকলৰ প্ৰকৃতি -প্ৰীতি আৰু প্ৰকৃতি -সচেতনাৰ আভাস পাব পাৰি ।

**সামৰণি**

স্থাননাম আহৰণ লোকসমাজৰ লগত ওতপ্ৰোতভাৱে জড়িত এক প্ৰক্ৰিয়া । প্ৰকৃত লোকসমাজৰ মূল কৰ্মক্ষেত্ৰ হোৱা সূত্ৰে স্থাননাম আহৰণত নানা প্ৰাকৃতিক কাৰকে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয় । আমাৰ অধ্যয়নস্থলী নলবাৰী জিলাখনতো প্ৰাকৃতিক পৰিৱেশৰ পৰা বিভিন্ন স্থাননাম আহৰণ কৰা হৈছে। এনে প্ৰাকৃতিক সমলবোৰৰ মাজত বিচিত্ৰ্যতা বিৰাজমান । প্ৰাকৃতিক আবয়ৱিক গঠন, প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য, মানুহে কৰা প্ৰাকৃতিক সম্পদ আহৰণৰ পৰিঘটনা, প্ৰাকৃতিক সম্পদৰ লগত জড়িত সাধাৰণ ঘটনা আদিৰ পৰা বিভিন্ন স্থাননাম সাধিত হৈছে। এনে প্ৰক্ৰিয়া সমূহৰ জৰিয়তে নিৰক্ষৰ লোকসমাজৰ প্ৰকৃতি-প্ৰীতি আৰু প্ৰকৃতি-সচেতনতাক উপলব্ধি কৰিব পাৰি । আকৌ, স্থাননামসমূহৰ লগত সংপৃক্ত জৈৱ উপাদানসমূহে জিলাখনৰ চহকী জৈৱ-বৈচিত্ৰ্যৰ পৰিচয় প্ৰদান কৰে । তদুপৰি, স্থাননামসমূহত সন্নিহিত জীৱৰ জৈৱবৈচিত্ৰ্যৰ সংকটৰ সময়তো ঠাইৰ নামৰ আঁতি-গুৰি বিচাৰ কৰি বিলুপ্তপ্ৰায় জীৱক পুনৰুদ্ধাৰ কৰাৰ ব্যৱস্থা হাতত ল'ব পৰা যায় ।

**উল্লেখিত প্ৰসঙ্গৰ উৎস**


- ফুকন, শৰৎ কুমাৰ । *নামতত্ত্ব* । গুৱাহাটী: অসম পাবলিচিং কোম্পানী, ২০১৫ । পৃ.- ১৪৫, ১৪৬, ১৮৭।
- ভাগৱতী, দীনমণি । *নলবাৰী দৰ্পণ* । নলবাৰীঃ শৰ্মা প্ৰকাশন, ২০১৮ । পৃ.- ১১ ।
- https:://www.britannica.com/science/toponymy. Retrived on 25-05-2025.
- https:://www.ecolinguistics-association.org. Retrived on 27-05-2025.

**সহায়ক গ্ৰন্থপঞ্জী**

১. গোস্বামী, উপেন্দ্ৰনাথ । *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ* । গুৱাহাটী : মণি-মাণিক প্ৰকাশ, ২০২৫ । মুদ্ৰিত ।

২. দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ । *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা* । গুৱাহাটী : বিশাল প্ৰকাশন, ২০১৭ । মুদ্ৰিত ।

৩. ফুকন। শৰৎ কুমাৰ । *নামতত্ত্ব* । গুৱাহাটী : অসম পাবলিচিং কোম্পানী, ২০১৫ । মুদ্ৰিত ।

৪. ভাগৱতী। দীনমণি। *নলবাৰী দৰ্পণ* । নলবাৰীঃ শৰ্মা প্ৰকাশন, ২০১৮ । মুদ্ৰিত ।

৫. শইকীয়া বৰা, লীলাৱতী । *অসমীয়া ভাষাৰ ৰূপতত্ত্ব* । ডিব্ৰুগড়ঃ বনলতা, ২০২৩ । মুদ্ৰিত ।

**সাময়িক গৱেষণা পত্ৰিকা**

1. Dash, Rejendra Kumar. ‘What is Ecolinguistics’. *Language in India.* www.languageinindia.com. ISSN 1930-1940. vol. 19:5 may 2019 web.
2. Penz, Hermine and Alwin Fill. ‘Ecolinguistics’: History, today and tomorrow’. *Journal of world Languages.* Volume 8 Issue 2. August 29, 2022. Web.
3. Khonglah, Lenamiki. ‘Naming the Land: Linguistic Exploration of Kashi Toponyms as Eco-cultural Markers’. *International Journal of Humanities Social Studies (ISHSSS).* ISSN : 2349-6559. Volum - xi, ISSUE-III, May, 2025. web.

তথ্যদাতাৰ তালিকা :

| **ক্ৰমিক নং** | **নাম** | **বয়স** | **ঠিকনা** |
|---|---|---|---|
| ১ | কলিতা, লক্ষী | ৯৩ বছৰ | নিজবাঁহজানী, নলবাৰী |
| ২ | গোস্বামী, বিভূকিংকৰ | ৬৪ বছৰ | মৈৰাদাঙ্গা, নলবাৰী |
| ৩ | চৌধুৰী, অতুল | ৭৮ বছৰ | হেলচা, নলবাৰী |
| ৪ | দাস, বিপিন চন্দ্ৰ | ৭৫ বছৰ | বৰী, নলবাৰী |
| ৫ | দাস, দমহুৰাম | ৬৫ বছৰ | নখেতি, নলবাৰী |
| ৬ | দাস, কৈলাশ চন্দ্ৰ | ৭৫ বছৰ | উলাবড়ী, নলবাৰী |
| ৭ | শালৈ, ৰজনী | ৫৫ বছৰ | নাৰায়ণগাঁও, নলবাৰী |
| ৮ | শ্বেখ, চান্দ মহম্মদ | ৬৮ বছৰ | লছিমা, নলবাৰী |
| ৯ | হালৈ, অনন্ত | ৮০ বছৰ | খখৰিশাল, নলবাৰী |
| ১০ | মহন্ত, ৰমেন | ৬২ বছৰ | ভৱানীপুৰ, নলবাৰী |
| | বৰ্মন, ইভা | ৩৫ বছৰ | টেঙাবাৰী, নলবাৰী |